**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-02-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই আজি ধেমাজিত সংহত জিলা আয়ুক্তৰ কাৰ্যালয় আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে শদিয়াত আজি বিয়লি ৪১৮ কোটি টকা ব্যয়সাপেক্ষে কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। ডº শৰ্মাই শদিয়াৰ অম্বিকাপুৰত ১৬০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ষষ্ঠ অসম আৰক্ষী কমাণ্ডো বাহিনীৰ মুখ্য কাৰ্যালয় আৰু হাস্পতাল চাৰিআলি-টুপছিঙা ঘাট সংযোগী আৰ চি চি দলংখন উদ্বোধন কৰাৰ লগতে শদিয়া চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱন মুকলি কৰে। আজি মুকলি কৰা অসম আৰক্ষী কমাণ্ডো বাহিনীৰ মুখ্য কাৰ্যালয়টোত ৪০০ জন কমাণ্ডো থাকিব পৰা ব্যৱস্থা আছে। কমাণ্ডেণ্টৰ বাবে ৩ মহলীয়া আধুনিক কাৰ্যালয় ভৱন, অত্যাধুনিক সুৰক্ষা ব্যৱস্থা আৰু নিৰীক্ষণ টাৱাৰ, ২৫৪ গৰাকী কমাণ্ডো থাকিব পৰা আধুনিক বেৰেক সংলগ্ন কৰা হৈছে। চৌহদটোত লগতে গেলেৰীসহ পেৰেড গ্ৰাউণ্ড, শুটিং ৰেঞ্জ, কম্পিউটাৰ লেবসহ শ্ৰেণীকোঠা, চিকিৎসালয়, বিদ্যালয় আদি ব্যৱস্থাৰ উপৰি উন্দোৰ ক্ৰীড়া প্ৰকল্প, ৰেচন-কাপোৰ দোকান, এ টি এম, নামঘৰ আদিও স্থাপন কৰা হৈছে।

তেওঁ লগতে কাকপথাৰত বহুমুখী ইন্দোৰ ষ্টেডিয়ামৰ উন্নয়ন, ছপাখোৱাত বীৰ লাচিত ষ্টেডিয়ামৰ উন্নয়নকে ধৰি বহুকেইটা ৰাজহুৱা সা-সুবিধাৰ উন্নীতকৰণ প্ৰকল্পৰ লগতে শক্তিখণ্ড আৰু পথ উন্নীতকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি ধেমাজি, চিচিবৰ গাঁও আৰু জোনাই বিধানসভা সমষ্টিৰ ৪৪ হাজাৰ ৭শ লোকৰ মাজত মিছন বসুন্ধৰা আঁচনিৰ অধীনত ভূমিপট্টা বিতৰণ কৰে। মিছন বসুন্ধৰা তৃতীয় পৰ্য্যায়ৰ অধীনত ৰাজ্য চৰকাৰে আজি সমগ্ৰ অসমৰ প্ৰায় ৪০ হাজাৰ পৰিয়াল তথা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানক ভূমিপট্টা প্ৰদান কৰে। শোণিতপুৰ জিলাৰ ৫ টা বিধানসভা সমষ্টিৰ ৭ হাজাৰ ৮৪১ খন ভূমিপট্টা বিতৰণ কৰা হয়। শ্ৰীভূমি জিলাৰ উত্তৰ কৰিমগঞ্জ আৰু দক্ষিণ কৰিমগঞ্জ বিধানসভা সমষ্টিৰ ৬৫০ টা পৰিয়ালক ভূমিপট্টা প্ৰদান কৰে। বজালী জিলাৰ পাঠশালা আৰু সৰুপেটাত আয়োজিত কাৰ্যসূচীত এহেজাৰ ২৯ গৰাকী ব্যক্তিক মাটিৰ পট্টা প্ৰদান কৰা হয়। পাঠশালাত আয়োজিত কাৰ্যসূচীত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে লোকসকলক আনুষ্ঠানিকভাৱে ভূমিৰ পট্টা বিতৰণ কৰে।

ooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ৰ অধীনৰ অন্তৰ্দেশীয় জলপথ প্ৰাধীকৰণৰ উদ্যোগত ডিব্ৰুগড়ৰ বগীবিলত নিৰ্মাণ কৰা সীমাশুল্ক আৰু ইমিগ্ৰেছন চৌহদ আজি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ

সোণোৱালে উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে ডিব্ৰুগড় চহৰৰ মাজমজিয়াত নতুন ৰূপত নিৰ্মাণ কৰা ঐতিহ্য ভৱনটোও মুকলি কৰে। এই উপলক্ষে আজি ডিব্ৰুগড়ৰ চৌকিদিঙি খেলপথাৰত আয়োজিত অনুষ্ঠানত পৰিবহন মন্ত্ৰী চৰণ বড়ো, স্থানীয় বিধায়ক তথা মন্ত্ৰী প্ৰশান্ত ফুকন, যোগেন মহন, বিমল বৰা, ৰূপেশ গোৱালাকে ধৰি ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ বিধায়ক তথা সংশ্লিষ্ট বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। শ্ৰী সোণোৱালে এই অনুষ্ঠানৰ পৰাই ধুবুৰীৰ সীমাশুল্ক আৰু ইমিগ্ৰেছন চৌহদো উদ্বোধন কৰে। এই প্ৰকল্পসমূহে অসমসহ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্য, পৰ্যটন আৰু যোগাযোগ ব্যৱস্থা অধিক সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত এইদৰে কয়।

বাইট

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ উপ-সঞ্চালক তথা বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে আজি অৱসৰ গ্ৰহণ কৰে। ৩৩ বছৰৰো অধিক কালৰ সুদীৰ্ঘ চাকৰি জীৱনত ভাৰতীয় তথ্য সেৱাৰ বিষয়া হিচাপে তেওঁ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ লগতে ক'লকাতা, গুৱাহাটী আৰু ইম্ফল দূৰদৰ্শন কেন্দ্ৰ আৰু কেন্দ্ৰীয় চলচ্চিত্ৰ প্ৰমাণন পৰিষদৰ গুৱাহাটী কাৰ্য্যালয়ৰ আঞ্চলিক বিষয়াৰূপে কাৰ্য্য-নিৰ্বাহ কৰিছিল। আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সমূহ বিষয়া-কৰ্মচাৰীয়ে তেওঁক বিদায় সম্ভাষণ জনায়। কেন্দ্ৰৰ মুৰব্বী তথা উপ-সঞ্চালকপ্ৰধান ৰবীন চন্দ্ৰ বড়োৱে বৰঠাকুৰৰ সমাজ সচেতনতাৰ বিষয়ে উল্লেখ কৰে আৰু পৰৱৰ্তী সময়তো আকাশবাণীৰ উত্তৰোত্তৰ উন্নতি সাধনৰ বাবে পৰামৰ্শ আগবঢ়াই যাবলৈ তেওঁক আহ্বান জনায়। আকাশবাণী গুৱাহটীৰ বাতৰি বিভাগৰ সংবাদকৰ্মীসকলেও আজি দুপৰীয়াৰ ভাগত বিদায়ী বাতৰি বিভাগৰ মুৰব্বীগৰাকীক আন্তৰিকভাৱে বিদায় সম্ভাষণ জনায়।

আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ জ্যেষ্ঠ প্ৰশাসনিক বিষয়া দেশবন্ধু চৌধুৰী, গাণনিক প্ৰণৱ কুমাৰ চক্ৰৱৰ্তী আৰু সহায়ক টংগালিম চিমটেয়ো অৱসৰ গ্ৰহণ কৰিছে। কেন্দ্ৰটোৰ সমূহ বিষয়া-কৰ্মচাৰীয়েও তেওঁলোকক আনুষ্ঠানিকভাৱে বিদায় সম্ভাষণ জনায়।

০০০০০

চিৰাং জিলাৰ ৰৌমাৰীৰ থাইজুগুৰিত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে তৃতীয় ছিফুং সাংস্কৃতিক উৎসৱ অনুষ্ঠিত হৈছে। ইয়াৰ লগত সংগতি ৰাখি সাহিত্য অকাডেমী বঁটা প্ৰাপক সাহিত্যিক হৰি নাৰায়ণ খাখলাৰীয়ে এখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে। সাংস্কৃতিক উৎসৱৰ লগত সংগতি ৰাখি নাটক, বাদ্য যন্ত্ৰৰ লগতে বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে।

০০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত ছুপাৰ এইটৰ এখন খেলত নিউজিলেণ্ডে টছত জিকি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৭ টা উইকেট হেৰুৱাই ১৫৯ ৰান সংগ্ৰহ কৰে।

প্ৰত্যুত্তৰত ইংলেণ্ডে বাতৰি যুগুতোৱাৰ পৰলৈ ৬ অভাৰত ২ টা উইকেট হেৰুৱাই ৪৭ ৰান সংগ্ৰহ কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ